

দশম শ্ৰেণীৰ বাবে

ভূগোল

পাঠ - ২

পৰিৱেশ আৰু পৰিৱেশৰ সমস্যা

অংশ – ৪ (প্ৰশ্ন-উত্তৰ)

শ্ৰাৱণী দেৱী

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। পৰিৱেশ বুলিলে কি বুজায় নিজৰ ভাষাত লিখা।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিৱেশ (Environment) শব্দটোৱে কোনো জীৱ বা জীৱ-সম্প্ৰদায়ৰ চাৰিওফালৰ অৱস্থাকে বুজায়। চাৰিওফালৰ অৱস্থাই জীৱ বৰ্তি থাকিবৰ বাবে আৱশ্যকীয় সকলো উপাদানকে সামৰি লয়। এই উপাদন সমূহক জৈৱিক আৰু অজৈৱিক দুটা ভাগত ভাগ কৰিব পাৰি । জৈৱিক আৰু অজৈৱিক উপাদানৰ পাৰস্পৰিক সম্বন্ধ স্থাপনৰ দ্বাৰা জীৱৰ বাবে প্ৰয়োজনীয় অৱস্থা বা পৰিৱেশৰ সৃষ্টি কৰে।

ভৌগলিক দিশৰ পৰা পৰিৱেশৰ জৰিয়তে পৃথিৱীৰ পৰিৱেশতন্ত্ৰৰ চাৰিটা মণ্ডল – স্থলমণ্ডল , জলমণ্ডল , বায়ুমণ্ডল আৰু জীৱমণ্ডলক সূচোৱা হয়। এই চাৰিটা মণ্ডলৰ সংস্পৰ্শৰ দ্বাৰা সৃষ্ট অৱস্থাকে বহল অৰ্থত আমি পৰিৱেশ বুলি কওঁ। প্ৰখ্যাত ভূগোল বিজ্ঞানী পিটাৰ হেগেটৰ মতে স্থল, জল, বায়ু আৰু জীৱৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ পৰিণতিকে পৰিবেশ বোলা হয়।

২। পৰিৱেশৰ কেইটামান জৈৱ আৰু অজৈৱ উপাদানৰ কথা উল্লেখ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিৱেশৰ কেইটামান জৈৱ আৰু অজৈৱ উপাদান হ'ল:

(i) জৈৱ উপাদান: বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ অণুজীৱকে ধৰি বৃহৎ আকাৰৰ প্ৰাণী।

(ii) অজৈৱ উপাদান: মাটি , পানী , বায়ু আৰু সকলো জড় বা নিৰ্জীৱ উপাদান।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। স্থলমণ্ডল বুলিলে কি বুজায় লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- শিল , বালি , মাটি , খনিজ পদার্থ , পর্বত , পাহাৰ , মালভূমি , সমভূমি , উপত্যকা , উপকূল আদিৰ দ্বাৰা গঠিত পৃথিৱীৰ স্থলভাগক স্থলমণ্ডল বুলি কোৱা হয়। স্থলমণ্ডলৰ গুণাগুণ তথা সময়ে সময়ে হোৱা ইয়াৰ পৰিৱৰ্তন পৃথিৱীৰ পৰিৱেশতন্ত্রৰ অন্য তিনিটা মণ্ডল জলমণ্ডল , বায়ুমণ্ডল আৰু জীৱমণ্ডলে নির্ধাৰণ কৰে।

৪। জলমণ্ডলৰ ভিতৰত কি কি পৰে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- জলমণ্ডল বুলিলে ভূ – পৃষ্ঠক আৱৰি থকা জলভাগকে বুজায় । ভূ-পৃষ্ঠ প্ৰায় ৭১% জলমণ্ডলে আগুৰি আছে । সাগৰ, মহাসাগৰ, নদ – নদী, হ্ৰদ, ইত্যাদি জলশয়বোৰে হৈছে জলমণ্ডল ।

৫। বায়ুমণ্ডল কিহেৰে গঠিত লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- ভূ-পৃষ্ঠৰপৰা ক্ৰমে ওপৰলৈ বিয়পি আছে এটা গেছীয় তৰপ। অক্সিজেন, নাইট্ৰ'জেন, হাইড্ৰ'জেন, কাৰ্বন-ডাই-অক্সাইড, আৰ্গন আদি গেছৰ দ্বাৰা গঠিত এই গেছীয় তৰপটোকে বায়ুমণ্ডল বোলে। বহল অৰ্থত ভূ-পৃষ্ঠৰপৰা প্ৰায় ১০০০০ কিলোমিটাৰ উচ্চতালৈ বায়ুমণ্ডল প্ৰসাৰিত হৈ থকা বুলি ক'ব পাৰি। বায়ুমণ্ডলৰ গুণাগুণ আৰু পৰিৱৰ্তন পৰিৱেশতন্ত্ৰৰ অন্য তিনিওটা মণ্ডলৰ ওপৰত নিৰ্ভৰশীল।

৬। জীৱমণ্ডলৰ বিস্তৃতি সম্বন্ধে লিখা।



উত্তৰঃ- জীৱমণ্ডলে পৃথিৱীৰ পৰিৱেশৰ জীৱৰ উপস্থিতি তথা উদ্ভিদ আৰু প্ৰাণী থকা অঞ্চলসমূহক সামৰি লয়। স্থলমণ্ডল , জলমণ্ডল আৰু বায়ুমণ্ডল এই মণ্ডলৰ অন্তৰ্গত। ভূপৃষ্ঠ , ভূপৃষ্ঠৰ পৰা কেইমিটাৰমান গভীৰলৈ , বায়ুমণ্ডলৰ নিম্নস্তৰ আৰু সাগৰ – মহাসাগৰৰ প্ৰায়ভাগ অংশই জীৱমণ্ডলে সামৰি লয়।

৭। পৃথিৱীৰ পৰিৱেশৰ প্ৰধান মণ্ডল চাৰিটাৰ মাজৰ সম্বন্ধৰ বিষয়ে চমুকৈ লিখা।



समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিৱেশ স্থলমণ্ডল , বায়ুমণ্ডল, জলমণ্ডল আৰু জীৱমণ্ডল নামৰ চাৰিটা উপাদান বা মণ্ডলেৰে গঠিত । পৃথিৱীৰ পৰিবেশৰ প্ৰধানমণ্ডল চাৰিটাৰ পৰস্পৰে পৰস্পৰৰ মাজত এটা ওতঃপ্ৰোত সম্পৰ্ক আছে । প্ৰকৃততে, চাৰিওটা মণ্ডলে নিজৰ প্ৰকৃতি আৰু অস্তিত্বৰ বাবে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল ।এই মণ্ডলসমূহৰ বিভিন্ন উপাদানসমূহৰ মাজত এক নিকটৱৰ্তী জটিল আন্তঃসম্বন্ধ আছে।

যিকোনো এটা গুৰুত্বপূৰ্ণ মণ্ডলত সংঘটিত হোৱা পৰিৱৰ্তনে পৰিৱেশৰ অন্য তিনিওটা মণ্ডলকে প্ৰভাৱিত কৰে। এই মণ্ডল কেইটাই কিন্তু এক নিজস্ব বৈশিষ্ট কঢ়িয়াই আনে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত বায়ুমণ্ডল প্ৰভাৱিত হয় তেতিয়া ইয়াৰ দ্বাৰা জলমণ্ডল , স্থলমণ্ডল আৰু জীৱমণ্ডলৰৰ ক্ষতিসাধন হয়। ইয়াৰ জৰিয়তে বৰফ গলাৰ ফলত সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি হৈ স্থলমণ্ডলৰ বহুতো অঞ্চল পানীৰ তলত বুৰ যায়।

আনহাতে , স্থলমণ্ডলত থকা গছ – গছনিসমূহ জধে – মধে কটাৰ ফলত অত্যধিক মাত্রাত কার্বনডাই-অক্সাইডৰ বৃদ্ধি হৈ গোলকীয় উত্তাপ বৃদ্ধি কৰিছে। যিটোৱে কৱল পৃথিৱীৰ স্থলমণ্ডলত থকা জীৱসমূহৰে ক্ষতি কৰা নাই , ই জলমণ্ডলৰ জীৱসমূহৰৰ ক্ষতিসাধন কৰিছে। এইদৰে এইটোৱে স্পষ্ট কৰে যে পৰিৱেশৰ চাৰিওটা মণ্ডলৰ মাজতে ওচৰ সম্বন্ধ আছে আৰু ইহঁত এটাৰ ওপৰত আনটো নির্ভৰশীল।

৮। পৰিৱেশৰ পৰিৱৰ্তনৰ প্ৰধান কাৰকবোৰ উল্লেখ কৰা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিবেশ পৰিবৰ্তনৰ প্ৰধান কাৰকবোৰ হ'ল মাটি, পানী, জলবায়ু, উদ্ভিদ, প্ৰাণী, অক্ষৰেখা, দ্ৰাঘিমাৰেখা, জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, নগৰীকৰণ, যাতায়াত, পৰিবহন, অন্যান্য উন্নয়ন ইত্যাদি। এই কাৰ্যকলাপসমূহে চাৰিওটা মণ্ডলতে গভীৰভাৱে কু – প্ৰভাৱ পেলাইছে। পাৰ্বত্য অঞ্চলৰ পৰা মৰুভূমি অঞ্চলৈকে হোৱা জনসংখ্যা তথা মানৱ কাৰ্যকলাপৰ সম্প্ৰসাৰণৰ ফলত সেইবোৰ অঞ্চলৰ পৰিৱেশৰ দ্ৰুতভাৱে পৰিৱৰ্তন ঘটিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। পৰিৱেশৰ সমস্যা মানে কি ব্যাখ্যা কৰা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৃথিৱীত আগতে কোনো ধৰণৰ পাৰিপার্শ্বিক সমস্যা নাছিল। ইয়াৰ মূলতে আছিল পৰিৱেশৰ প্ৰাকৃতিক আৰু মানৱ – সৃষ্ট উপাদানসমূহৰ মাজত থকা ভাৰসাম্যতা। দিনে দিনে বৃদ্ধি হৈ অহা দ্ৰুত জনসংখ্যা , নগৰীকৰণৰ সম্প্ৰসাৰণ , ঔদ্যোগীকৰণ, নিৰ্বনানীকৰণ, জীৱাশ্ম ইন্ধনৰ ব্যাপক ব্যৱহাৰ , জলাশয়ৰ সংকোচন আদিৰ ফলস্বৰূপে পৃথিৱীৰ পাৰিপার্শ্বিক ভাৰসাম্যতা বিঘ্নিত হৈ পৰিছে।

ইয়াৰ ফলতে প্রদূষণ , মৰুকৰণ , গোলকীয় উত্তাপ বৃদ্ধি , সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি আদিৰ দৰে বহুতো সমস্যাৰ উদ্ভৱ হৈছে। পৰিৱেশৰ লগত জড়িত এই সকলবোৰ সমস্যাকে পাৰিৱেশিক সমস্যা বুলি কোৱা হয়।

১০। ভৌগোলিক দিশৰপৰা পৰিৱেশৰ সমস্যাক কি কি ভাগত ভগাব পাৰি লিখা।



समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভৌগোলিক দিশৰ পৰা পৰিৱেশৰ সমস্যাবোৰক তিনি ধৰণে বিবেচনা কৰিব পাৰি সেইবোৰ হ'ল:

(ক) স্থানীয় সমস্যা: উৎপত্তি আৰু বিস্তৃতিৰ ফালৰ পৰা কেৱল এটা নির্দিষ্ট সৰু এলেকাক প্রভাৱিত কৰা পাৰিপার্শ্বিক সমস্যাবোৰকে স্থানীয় পাৰিপার্শ্বিক সমস্যা বুলি কোৱা হয়।

(খ) আঞ্চলিক সমস্যা: এটা বা ততোধিক ভৌগোলিক অঞ্চলজুৰি সৃষ্টি হোৱা সমস্যাকে আঞ্চলিক পাৰিপার্শ্বিক সমস্যা বুলি কোৱা হয়।

কেতিয়াবা এই আঞ্চলিক সমস্যাই একাধিক ৰাষ্ট্ৰকো সামৰি লয়।

(গ) গোলকীয় সমস্যা: সমগ্ৰ বিশ্বকে সামৰি লোৱা বা প্ৰভাৱিত কৰা পাৰিৱেশিক সমস্যা বোৰকে গোলকীয় পাৰিপাৰ্শিক সমস্যা বুলি কোৱা হয়। যিহেতু গোলকীয় সমস্যাই সমগ্ৰ পৃথিৱীকে সামৰি লয় সেয়েহে এনে সমস্যাসমূহৰ সমাধানাৰ্থে আন্তৰ্জাতিক প্ৰচেষ্টা প্ৰয়োজন হয়।

১১। পৰিৱেশৰ স্থানীয় সমস্যা কি? উদাহৰণ দি লিখা।



समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিৱেশৰ স্থানীয় সমস্যা: উৎপত্তি আৰু বিস্তৃতিৰ ফালৰ পৰা কেৱল এটা নির্দিষ্ট সৰু এলেকাক প্রভাৱিত কৰা পাৰিপার্শ্বিক সমস্যাবোৰকে স্থানীয় পাৰিপার্শ্বিক সমস্যা বুলি কোৱা হয়।

যেনে: এটা ক্ষুদ্র উদ্যোগে কৰা সীমিত ভূমি বা পানী প্রদুষণ, যেনে কোনো এঠাইত নৈ সৃষ্টি কৰা খহনীয়া সমস্যা।

১২। পৰিৱেশৰ আঞ্চলিক সমস্যাৰ দুটা উদাহৰণ দিয়া।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিৱেশৰ আঞ্চলিক সমস্যাৰ দুটা উদাহৰণ হৈছে:

(i) অসমৰ ব্ৰহ্মপুত্ৰ বৰাক উপত্যকাৰ বানপানীৰ সমস্যা। আৰু

(ii) কোনো এখন নগৰ বা চহৰ অঞ্চলৰ পৰা নিৰ্গত দুষিত পদাৰ্থৰ ফলত সৃষ্টি হোৱা পানী প্ৰদুষণ।

১৩। কোনবোৰ সমস্যাক গোলকীয় পৰিৱেশ সমস্যা বুলি কোৱা হয় লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সমগ্র বিশ্বকে সামৰি লোৱা বা প্রভাৱিত কৰা পাৰিৱেশিক সমস্যা বোৰকে গোলকীয় পাৰিপার্শ্বিক সমস্যা বুলি কোৱা হয়। যিহেতু গোলকীয় সমস্যাই সমগ্র পৃথিৱীকে সামৰি লয় সেয়েহে এনে সমস্যাসমূহৰ সমাধানার্থে আন্তর্জাতিক প্রচেষ্টা প্রয়োজন হয়। গোলকীয় উত্তাপ বৃদ্ধি, মৰুকৰণ, এচিড বৰষুণ, পানী প্রদুষণৰ ফলত বিলুপ্ত হোৱা কিছুমান জলজ প্রাণী, উদ্ভিদ আদি।